# ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ (FYUGP) ভৰ্তি প্ৰ-পত্ৰ পূৰণ সম্পৰ্কীয় নিৰ্দেশনা ঃ

(৩ জুনলৈকে দিয়া সংশোধনী মৰ্মে)

শ্ৰদ্ধাৰ অভিভাৱক সকল আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকল,

ধুবুৰী জিলাৰ ঐতিহ্যমণ্ডিত প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ তৰফৰ পৰা আপোনালোক সদৌটিলৈ সাদৰ সম্ভাষণ জনাইছোঁ। চলিত বৰ্ষৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে নতুন জাতীয় শিক্ষানীতি (২০২০) ৰ আধাৰত চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ আৰম্ভনি কৰিবলৈ লৈছে। গুৱাহাটী বিশ্ববিদ্যালয় অনুমোদিত মহাবিদ্যালয় হিচাপে প্ৰমথেশ বৰুৱা মহাবিদ্যালয়েও চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভণিৰ প্ৰস্তুতি লৈছে। স্নাতক কলা আৰু বাণিজ্য শাখাৰ মহাবিদ্যালয়খনত নামভৰ্ত্তি প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে অনলাইন পদ্ধতিৰে সম্পন্ন হ'ব। চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম আৰু মহাবিদ্যালয়খনে দিব পৰা বিষয় সম্বলিত এই প্ৰচাৰ পুস্তিকাখনে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলক অনলাইন প্ৰ-পত্ৰ পুৰণত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰথম বৰ্ষত (ছেম-১ + ছেম-২) তিনিটা মূল বিষয় (Core Course) আৰু চাৰিটা সাধাৰণ বিষয় (Common Course) বাধ্যতামূলক হ'ব। যেনে-

| | Core Course | | | | Common Course | | |
|---|---|---|---|---|---|---|---|
| Sem 1 | Sub1 | Sub2 | Sub3 | Multidisciplinary 1 | Valuadded course | AEC1 | SEC1 |
| Sem 2 | Sub1 | Sub2 | Sub3 | Multidisciplinary 2 | VAC 2 | AEC 2 | SEC2 |

মূল বিষয় হিচাপে পঢ়িবলগা বিষয়সমূহৰ ভিতৰত প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ে দিব পৰা বিষয়সমূহ এনে ধৰণৰ-

কলা শাখা (Arts)

- ভাৰতীয় ভাষা
  - অসমীয়া
  - বাংলা
  - হিন্দী
  - সংস্কৃত
- অন্যান্য ভাষা
  - ইংৰাজী
  - আৰবী
- সমাজবিজ্ঞান
  - ৰাজনীতি বিজ্ঞান
  - অৰ্থনীতি বিজ্ঞান
  - শিক্ষা
  - দৰ্শন
  - বুৰঞ্জী

* দ্বিতীয় বৰ্ষৰ পৰা (Sem III & IV) ছাত্ৰ-ছাত্ৰীয়ে অনাৰ্চ (Honours) বিষয় পঢ়িব পাৰিব। যত 3rd Sem ত Hon1, core2, core 3 আৰু Common Course ত Multi 2, Int-1 আৰু SEC 1 থাকিব। Sem 4 ত Hon ছাত্ৰ-ছাত্ৰীয়ে চাৰিটা Hon's আৰু এটা Common Course আৰু SEC এটা Paper পঢ়িব। তেনেকৈ তৃতীয় বৰ্ষত (SemV &VI) ত চাৰিটা অনাৰ্চ', এটাকৈ AEC পঢ়িব লাগিব। চতুৰ্থ বৰ্ষত অতিৰিক্ত মূল বিষয়ৰ লগতে Dissertation আৰু গৱেষণা পদ্ধতিৰ পাঠ গ্ৰহণ কৰিব।

Honours নোলোৱা ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমে Semester ৰ পৰা তৃতীয় Sem লৈ মূল বিষয় (Core Course) আৰু সাধাৰণ বিষয় (Common Course) এটাকৈ পেপাৰ পঢ়িব আৰু চতুৰ্থ Sem ৰ পৰা যিকোনো এটা মূল বিষয়ৰ দুটাকৈ পেপাৰ আৰু বাকী দুটা বিষয়ৰ এটাকৈ পেপাৰ পঢ়িব পাৰিব। ছাত্ৰ-ছাত্ৰীয়ে ইচ্ছা কৰিলে ১২ Credit ৰ অতিৰিক্ত বিষয় এটাও পঢ়িব পাৰিব যি পিছলৈ তেঁওৰ প্ৰমাণ পত্ৰত প্ৰতিফলিত হ'ব।

* প্ৰ-পত্ৰ পূৰণৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে মন কৰিবলগীয়া বিষয়টো হৈছে, যদিও ১ম আৰু দ্বিতীয় ছেমিষ্টাৰত অনাৰ্চ বিষয় নাথাকে তথাপিও ৩য় ছেমিষ্টাৰত অনাৰ্চ বাচনি কৰোঁতে ১ম আৰু দ্বিতীয় চেমিষ্টাৰত থকা মূল বিষয় (Core Course) ৰ পৰাহে Honours বাচনি কৰিব পাৰিব। যেনে, ১ম আৰু ২য় চেমিষ্টাৰত অসমীয়া (Core) পাঠ নললে তেঁও অসমীয়াত অনাৰ্চ লব নোৱাৰে। গতিকে Honours পঢ়িবলৈ মন কৰা ছাত্ৰ-ছাত্ৰীয়ে সেই বিষয়টো Core Course হিচাপে বাচনি কৰিব লাগিব।

* Common Course ৰ ভিতৰত প্ৰথম যান্মাষিকত English Communication (AEC 101) আৰু দ্বিতীয় যান্মাষিকক MIL {(AEC-151), অসমীয়া, বাংলা, হিন্দী} লব লাগিব।

* Value Added Course প্ৰথম, দ্বিতীয় আৰু চতুৰ্থ যান্মাষিকত - তলৰ যিকোনো চাৰিটা শাখাৰ পৰা বাচনি কৰিব পাৰিব। Environmental Science বাধ্যতামূলক থাকিব।

VAC

- Understanding India
- Environmental Science
- Digital & Technological Solution
- Health & Welness Yoga Education, Sports & Fitness

* Multidisuplinary প্ৰথমৰ পৰা তৃতীয় ষান্মাষিকৰ ভিতৰত তলত দিয়া বিষয় থুলৰ পৰা লব লাগিব-

Gr - A - Social Science & Humanities

Gr-B- Mathematical Science.

Gr-C- Computer Application.

* Skill Enhancement Course প্ৰথম, দ্বিতীয় আৰু তৃতীয় ষান্মাষিকত মহাবিদ্যালয়ে দিয়া বিষয় থুলৰ পৰা বাচনি কৰিব পাৰিব।

* নতুন জাতীয় শিক্ষানীতিৰ আধাৰত (FYUGP) চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ এটি উল্লেখযোগ্য বিষয় হৈছে কোনো ছাত্ৰ-ছাত্ৰীয়ে ইচ্ছা কৰিলে ১ম বৰ্ষৰ অন্তত পাঠ্যক্ৰম ত্যাগ কৰিলে এটি Vocational বা অতিৰিক্ত SEC Course কৰি চাৰ্টিফিকেট কিম্বা দুবছৰৰ অন্তত Exit কৰিলে পুনৰ Vocational বা SEC কৰ্চ কৰি ডিপ্লোমা পোৱাৰ সুবিধা আছে। সেইদৰে তৃতীয় বছৰৰ অন্তত Degree অনাৰ্চ সহকাৰে, চতুৰ্থ বৰ্ষ সমাপ্ত কৰিলে Degree with Honours বা Degree with Hon & Research Certificate পাব। সেই ক্ষেত্ৰত Master's Course তেঁওৰ বাবে এবছৰীয়া হ'ব।

* অন্য এটা মন কৰিবলগীয়া বিষয় হৈছে Core Course নিৰ্বাচন কৰোঁতে ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমান সময়ত বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত চাহিদা থকা বুৰঞ্জী, ইংৰাজী অৰ্থনীতি, দৰ্শণ আদি বিষয়ৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনোৱা হ'ল যাতে ভৱিষ্যতে বিষয় সমূহৰ জ্ঞানে তেঁওলোকৰ নিয়োগপ্ৰাপ্তিত সুবিধা হয়। তাৰোপৰি মহাবিদ্যালয় কতৃপক্ষই কোনো বিষয়ত আসনৰ সংখ্যা নিৰ্দিষ্ট কৰিব। সেই ক্ষেত্ৰত কোনো নিৰ্দিষ্ট বিষয়ত অতিৰিক্ত আবেদন থাকিলে উঃ মাঃ প্ৰাপ্ত নম্বৰৰ ভিত্তিত আসন পূৰণ কৰিব। সেই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ে দিয়া বিষয়ৰ Option বিবেচনা কৰিব পাৰিব।

* নতুন জাতীয় শিক্ষানীতিয়ে ছাত্ৰ-ছাত্ৰীক Multidisciplinery, VAC আৰু Skill বিষয়ত গুৰুত্ব প্ৰদান কৰাৰ বাবে প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ে কিছুমান অতি প্ৰয়োজনীয় আৰু যুগসাপেক্ষ বিষয়ৰ ওপৰত গুৰুত্ব দিছে আৰু ছাত্ৰ-ছাত্ৰী সমূহক উক্ত Course গ্ৰহণ কৰিবলৈ আহ্বান জনাব। যেনে VAC ৰ আটাইকেইটা বিষয়, Multidisciplinery'ত Mathermathical Science and Computer Application আৰু SEC ৰ বাবে নিদ্ধাৰিত বিষয়সমূহ।

* বাণিজ্য শাখা এক সুকীয়া শাখা হিচাপে থাকিব। চাৰি বছৰীয়া পাঠ্যক্ৰমৰ Accountancy, Finance আৰু HRM ত Hon. কিম্বা Regular বিষয় হিচাপে লৈ পঢ়িব। ছাত্ৰ-ছাত্ৰী সকলে বাণিজ্য শাখাৰ বাবে Gauhati University Website নিৰিক্ষণ কৰি প্ৰ-পত্ৰ পূৰণ কৰিব। Counselling Session ত নিৰ্দিষ্ঠ দিনত উপস্থিত থাকিব।

* নামভৰ্ত্তিৰ প্ৰ-পত্ৰ পূৰণৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে ABC (Academic Bank of Credit) ত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ আধাৰ কাৰ্ডৰ জৰিয়তে এই নাম পঞ্জীয়ন কৰিব পৰা যাব। Digilocker Weblink ত গৈ প্ৰয়োজনীয় তথ্য সন্নিবিষ্ট কৰি ABC ত নাম পঞ্জীয়ন কৰিব পাৰিব। ই বাধ্যতামূলক।

* ভৰ্ত্তিৰ প্ৰ-পত্ৰ পূৰণৰ পিছত মহাবিদ্যালয়ে নিৰ্দ্ধাৰিণ কৰা বিশেষ দিনত FYUGP পাঠ্যক্ৰমৰ বিভিন্ন দিশৰ সম্যক ধাৰণা দিবৰ বাবে যি Counselling Session অনুষ্ঠিত হ'ব তাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি বাধ্যতামূলক কাৰণ কিবা কাৰণত নামভৰ্ত্তিৰ প্ৰ পত্ৰ পূৰণত ভুল হলে বা বিচৰা ধৰণে বিষয় প্ৰাপ্তি নহলে বিষয় সলনিৰ ব্যৱস্থা তেতিয়ালৈ সূচল থাকিব। Register হোৱাৰ পিছত কোনো কাৰণতে বিষয় সলনি কৰিব নোৱাৰিব। ছাত্ৰ-ছাত্ৰী এনেকি অভিভাৱকৰ বাবেও এনে Counselling Session ত উপস্থিত থকাটো আৱশ্যক।

* প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰী উভয়ৰে বাবে সুসজ্জিত আৰু সুব্যৱস্থাপনাৰে ছাত্ৰাবাসৰ আৰু ছাত্ৰীনিবাসৰ ব্যৱস্থা আছে। ছাত্ৰ ছাত্ৰীয়ে Hostel Accomodation বাবে আবেদন কৰিব পাৰে।

* প্ৰমথেশ বৰুৱা মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ সাৰ্বিক বিকাশৰ প্ৰতি দায়বদ্ধ। নিয়মিত পাঠদানেই নহয় Internal Assesment, Internship, Practical, Skill ৰ নিৰ্ণায়ক মাপকাঠি নিৰ্দ্ধাৰণত কঠোৰতা অৱলম্বনেৰে আৰু ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি কঠোৰতাৰে নিৰীক্ষন কৰি ব্যৱস্থাপনা গ্ৰহণ কৰাৰ পৰিকল্পনাৰে জাতীয় শিক্ষানীতিক পৰিপূৰ্ণ বাস্তৱায়নৰ দিশে আগবাঢ়িছে। শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সামাজিকৰ সক্ৰিয় অংশগ্ৰহনেৰে মাত্ৰ ই বাস্তৱায়ন কৰা সম্ভৱ। সমূহ Stakeholder ৰ নিৰঙ্কুশ সমৰ্থন আৰু সহযোগিতাৰে ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত তৰান্বিত কৰা সম্ভৱ।

আটাইৰে সহমৰ্মীতা আৰু সহযোগিতা আমাৰ একান্ত কাম্য।

জয়তু প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ


<u>সবিশেষ তথ্যৰ বাবে যোগাযোগ কৰক</u> ঃ

১। ড০ কল্যাণ দাস (অধ্যক্ষ) - 8638038631

২। ড০ জাফৰ ওৱাজেব (শৈক্ষিক তত্বাৱধায়ক) - 9954845943

৩। ড০ আখতাৰুল ইছলাম (কনভেনৰ NEP) - 9864858710

৪। অধ্যাপক বুদ্ধদেৱ বসুমাতাৰি (সদস্য এডমিচন কমিটি) - 6002593151

অধ্যক্ষ

প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ।


Published by Dr. K. Das on behalf of Admission Committee, P. B. College, Gauripur